জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

চুকীয়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ২৭৪ ● সোমবাৰ ● ৩১ জেঠ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Monday June 15, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰপৰা

অংশগ্ৰহণ কৰে। ৰেট্ৰাষ্টৰ সম্পাদক নত ইমদাদ ফাণ্ডৰ ৬,০০০, চয়নিকা ০ আৰু দীপাঞ্জলি লগতে ৪১গৰাকী সামগ্ৰী বিতৰণ কৰা অসম চিকিৎসা াপক ডাঃ চাজিদ শীল ব্যক্তি প্ৰয়াত নুষ্ঠানটোক শ্ৰদ্ধাৰে দ্ৰ সাহায্যৰে নহয়, , মহিলাক চিলাই ীক শিক্ষাৰ বাবে ণীৰ লোকৰ মাজত কৰি তোলাই ট্ৰাষ্টৰ হ চেহিৰ আহমদ, উল্লা খান, আব্দুল লী, নেজিব হুছেইন দ, নাৰুল আখতাৰ কলক সভাপতিয়ে । এগৰাকী ট্ৰাষ্টি হিতাধিকাৰীসকল, ষ্টৰ কৰ্তৃপক্ষ আৰু ঢ়ায়।

## ক সুৰেন ৮টাকৈ িলা স্থাপন

ংবাদদাতা, ১৪ জুন ৰ নিৰ্বাচিত ডিগবৈৰ ন ফুকনে আজি ানত আধাৰশিলা াই ডিগবৈ বৃৰবিল হনুমান মন্দিৰৰ

আয়োজন কৰা এখন সভাত বিদায় সম্বৰ্ধনা জনায়। বিদায়ী শিক্ষাগুৰু আৰু কৰ্মচাৰীৰ লগতে পৰিয়ালবৰ্গ বিদ্যালয়ত উপস্থিত হোৱাৰ লগে লগে শিক্ষক- কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় লোকে তেওঁলোকক গায়ন-বায়নেৰে আদৰি আনে। ইয়াৰ পাছতে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক বিৰিঞ্চি বৰুৱাৰ সভাপতিত্বত দিনৰ ১১বজাত বিদায় সম্বৰ্ধনা সভাখন অনুষ্ঠিত হয়। বিদ্যালয়ৰ বিষয় শিক্ষক অনিৰ্বাণ দত্তই আঁত ধৰা সভাখনত তিনিগৰাকী শিক্ষাগুৰু আৰু কৰ্মচাৰীজনকশিক্ষক-কৰ্মচাৰী গোট, ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয় পৰিচালনা সমিতিয়ে মানপত্ৰ, গামোচা, চেলেং, সঁফুৰা, শৰাই, কিতাপৰ টোপোলা আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা এটি সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাখনত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নৰ বৰুৱা, উপ-সভাপতি নগেন পাচনি, অৱসৰী অধ্যক্ষ পূৰ্ণানন্দ বৰদলৈ, উপাধ্যক্ষ নিত্যা দত্তই অংশগ্ৰহণ কৰে। কেইবাটাও কবিতা, নৃত্য পৰিৱেশন কৰা সভাখনত বিদায়ী শিক্ষাগুৰুসকলৰ লগতে বিভিন্নজনে বিদ্যালয়ৰ শৈক্ষিক দিশটো অধিক ত্বৰান্বিত কৰিবলৈ আহ্বান জনায়। বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু উপাধ্যক্ষই বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে।

### ডিব্ৰুগড়ৰ এইচ এম স্প'ৰ্টছ ক্লাবৰ সম্বৰ্ধনা অনুষ্ঠান

## মানুহে নিজে জীৱনটো জটিল কৰি তোলে ঃ অধ্যক্ষ ড° শইকীয়া

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৪ জুন ঃ মানুহৰ জীৱনটো আচলতে কেতিয়াও জটিল নহয়, মানুহে নিজে নিজে নিজৰ জীৱনটো জটিল কৰি তোলে। জীৱনটো তেনেই সহজ। ডিব্ৰুগড়ৰ জনপ্ৰিয় এইচ এম ৰিজৰ্টৰ সভাকক্ষত অনুষ্ঠিত এক সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট লেখক, সাহিত্যিক তথা ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। এইচ এম গ্ৰুপৰ বিষয়া-কৰ্মচাৰীৰ সন্তানৰ কৃতিত্বক সন্মান তথা সম্বৰ্ধনা জনাবলৈ ১৩ জুনৰ নিশা অনুষ্ঠিত সম্বৰ্ধনা সভাত অধ্যক্ষগৰাকীয়ে কয় যে প্ৰতিযোগিতা, খং, ক্ষোভ, অহংকাৰ, ক্ৰোধ আদিয়ে মানুহৰ জীৱনটো জটিলৰ পৰা জটিল কৰি তোলে, সেইবোৰ একো একোটা বোজা। তেনে বোজা পাতলাই জীৱনটোক আগুৱাই নিবলৈ তেওঁ



সকলোকে আহ্বান জনায়। অসম চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ ধ্ৰুৱজ্যোতি ভূঞাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি জীৱনক সজাই তুলিবলৈ সকলোকে আহ্বান জনায়। এইচ এম স্প'ৰ্টছ ক্লাবৰ সম্পাদক আনন্দ কলিতাই আঁত ধৰা সভাত লোকনিৰ্মাণ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা ৰিজু গগৈ বিশিষ্ট অতিথি হিচাপে উপস্থিত থকাৰ লগতে ক্লাবৰ কাৰ্যকৰী সভাপতি মৃণাৰ হুছেইন, উপ-সভাপতি মজিব খান, সভাপতি আয়াজ আহমেদকে ধৰি ক্লাবৰ সকলো বিষয়ববীয়া উপস্থিত থাকে। উল্লেখযোগ্য যে এইচ এম গ্ৰুপৰ বিষয়া-কৰ্মচাৰীৰ সন্তানৰ লগতে মুঠ এঘাৰগৰাকী কৃতি শিক্ষাৰ্থীক সম্বৰ্ধনা জ্ঞাপন কৰে।

## অভিনন্দন অনুষ্ঠান সম্পন্ন

তিনিচুকীয়া ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৪ জুন ঃ টাই আহোম ছাত্ৰ সন্থাৰ পূব গোবিন্দপুৰ আঞ্চলিক সমিতিৰ উদ্যোগত ডিমৰুগুৰি প্ৰাথমিক বিদ্যালয়ত এক অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ময়ূৰাক্ষী চেতিয়াৰ সভাপতিত্বত অনুষ্ঠিত বিশেষ অভিনন্দন অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে লেখক, গায়ক তথা কৃতী শিক্ষক অমৃত ৰাজখোৱা। অনুষ্ঠানত টাই আহোম ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি নয়ন বুঢ়াগোহাঁই, প্ৰাঞ্জল তিনিকোণীয়া আৰু সমন্বয় সমাজ কল্যাণ যুৱ সন্থাৰ সম্পাদক শীৰ্ষ জ্যোতি নেওগে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। আটাছুৰ পূব গোবিন্দপুৰ আঞ্চলিক সমিতিৰ মণ্টু চেতিয়াই আঁত ধৰা সভাখনত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আদিত্য চেতিয়াই। অনুষ্ঠানত বৃহত্তৰ লাই পুলি অঞ্চললৈ গৌৰৱ কঢ়িয়াই অনা ৭৭গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সংগঠনৰ তৰফৰ অভিনন্দন জ্ঞাপন কৰা হয়।

## ড° দয়ানন্দ শ্বাহ, ডাঃ অমৃত বৰুৱা